জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৪৩/২০২০

ৰহা মীন মহাবিদ্যালয়ত 'আত্মনিৰ্ভৰ অসম গঢ়াৰ বাবে প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনা' শীৰ্ষক কৰ্মশালাত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# ভিয়েটনামৰ উদাহৰণেৰে বিজ্ঞানী আৰু কৃষকৰ মাজত সমন্বয় সাধনৰ জৰিয়তে অসমৰ কৃষকে বিজ্ঞানসন্মত কৃষিপদ্ধতি অৱলম্বনত গুৰুত্ব আৰোপ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

## আত্মনিৰ্ভৰ অসম গঢ়াৰ বাবে ৰাজ্যৰ মীনপালনকসকলক উদ্ভাৱনীমূলক পদ্ধতিৰ আশ্ৰয় ল'বলৈ আহ্বান মুখ্যমন্ত্ৰী সোণোৱালৰ

**দিছপুৰ, ১২ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ ৰহা মীন মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰাজ্য চৰকাৰৰ মীন বিভাগ আৰু মীন মহাবিদ্যালয়ৰ উদ্যোগত 'আত্মনিৰ্ভৰ অসম গঢ়াৰ বাবে প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনা' শীৰ্ষক এক কৰ্মশালাত অংশগ্ৰহণ কৰি ৰাজ্যখনৰ মৎস্য উৎপাদন বৃদ্ধিৰ দিশত মীনপালকসকলক উদ্ভাৱনীমূলক পদ্ধতি অৱলম্বন কৰাৰ দিশত অগ্ৰণী ভূমিকা লোৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে অসমৰ জনসাধাৰণৰ মাজত থকা মাছৰ চাহিদা পূৰণৰ উপৰি চুবুৰীয়া ৰাজ্য তথা কাষৰীয়া ৰাষ্ট্ৰৰ বজাৰ দখলৰ বাবে এক ভৱিষ্যদৰ্শন তথা কৰ্ম আঁচনি প্ৰস্তুত কৰাৰ দিশতো মীন মহাবিদ্যালয়ক অগ্ৰণী ভূমিকা পালন কৰিবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনে সকলো ক্ষেত্ৰতে আত্মনিৰ্ভৰশীল হোৱাৰ বাবে প্ৰচেষ্টা ল'ব লাগিব। আনৰ ওপৰত নিৰ্ভৰ কৰি চলিলে কেনেদৰে বিপদত পৰা যায় সেই দিশত ক'ভিড-১৯ সৃষ্ট লকডাউনে প্ৰমাণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসমক মীন পালনৰ লগতে কৃষি তথা আনুষংগিক খণ্ডত আত্মনিৰ্ভৰশীল হোৱাৰ বাবে সকলোৰে সমন্বিত প্ৰচেষ্টা ল'ব লাগিব বুলিও কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লৈয়ে মেক ইন ইণ্ডিয়া, স্কীল ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়াৰ দৰে পদক্ষেপৰ প্ৰাসংগিকতা কিমান সেই কথা ক'ভিড সৃষ্ট পৰিৱৰ্তিত পৰিস্থিতিত প্ৰতিগৰাকী ভাৰতীয়ই মৰ্মে মৰ্মে উপলব্ধি কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে মেক ইন ইণ্ডিয়া সফল কৰাৰ বাবে প্ৰতিগৰাকী ভাৰতীয়ই সংকল্পবদ্ধ হ'ব লাগিব বুলিও কয়। তেতিয়াহে ভাৰতবৰ্ষই বিশ্বৰ বুকুত শক্তিশালী ৰাষ্ট্ৰ হিচাপে সদায়ে যোগ্যতাৰে অৱতীৰ্ণ হৈ থাকিব পাৰিব বুলিও তেওঁ কয়। স্বাধীনতাৰ পিছত ভাৰতবৰ্ষক সকলো দিশতে আত্মনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্য আগত ৰাখি প্ৰধানমন্ত্ৰীয়ে ২০ লাখ কোটি টকাৰ যি পেকেজ ঘোষণা

কৰিছে তাৰ অধীনত মৎস্য উৎপাদন বৃদ্ধিৰ বাবে ২০ হাজাৰ কোটি টকাৰ মৎস্য সম্পদ যোজনাৰ পৰা ৰাজ্যখনে যাতে সৰ্বাধিকভাৱে লাভান্বিত হ'ব পাৰে, তাৰ বাবে অসম চৰকাৰে ইতিমধ্যে ১ হাজাৰ কোটি টকাৰ এক কৰ্ম আঁচনি ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই লক্ষ্য পূৰণৰ দিশত মীন বিভাগ, মীন মহাবিদ্যালয়, মীন পালক, গৱেষক ইত্যাদি সকলোৰে সমন্বিত প্ৰয়াস চলাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে নতুন প্ৰযুক্তিৰে উৎপাদন শক্তি বৃদ্ধি, সংসাধন গোট, ব্ৰেণ্ডিং, মাৰ্কেটিং, ষ্ট্ৰেটেজি ইত্যাদিৰ দিশত এক সুবিস্তৃত কৰ্ম আঁচনি গ্ৰহণ কৰি ৰাজ্যখনক সৰ্বাধিকভাৱে লাভান্বিত কৰাৰ প্ৰয়াস চলাবলৈও সকলোকে আহ্বান জনায়। এজনৰ সফলতাৰ উদাহৰণে হাজাৰজনক অনুপ্ৰাণিত কৰে বুলি উল্লেখ কৰি মীন মহাবিদ্যালয়ক মৎস্য উদ্যোগীসকলক বিভিন্ন দিশত সহায় কৰি সফলতাৰ উদাহৰণৰ সৃষ্টি কৰাৰ দিশত অগ্ৰণী ভূমিকা ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ৩০ বছৰ আগলৈ ভিয়েটনামৰ অৱস্থা অতি বেয়া আছিল বুলি উল্লেখ কৰি কেৱল কৃষি অৰ্থনীতিৰ জৰিয়তে ভিয়েটনামে বৰ্তমান ৩৬ বিলিয়ন আমেৰিকান ডলাৰ প্ৰতিবছৰে উপাৰ্জন কৰিবলৈ সক্ষম হৈছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে ভিয়েটনামৰ দৰে বিজ্ঞানী আৰু কৃষকৰ মাজত থকা মধুৰ সম্পৰ্ক স্থাপনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে যাতে ইয়াৰ জৰিয়তে কৃষকসকলে আধুনিক তথা বিজ্ঞানসন্মত কৃষি পদ্ধতি আঁকোৱালি লৈ কৃষি উৎপাদন বৃদ্ধিৰ দিশত সম্যক জ্ঞান লাভ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে মীনপালকৰ লগত সঘনাই মত-বিনিময় কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে মৎস্য সম্পদ যোজনাৰ দৰে প্ৰধানমন্ত্ৰীয়ে অলপতে ঘোষণা কৰা ১ লাখ কোটি টকাৰ কৃষি আন্তঃগাঁথনি নিধিৰ পৰা সৰ্বোচ্চভাৱে ৰাজ্যখনক লাভান্বিত কৰাৰ উদ্যোগ ল'বলৈও সংশ্লিষ্ট সকলোকে আহ্বান জনায়।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মীন, আৱকাৰী, পৰিৱেশ, বন ইত্যাদি বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত অসমত মীন খণ্ডই এক বিশেষ গতি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে এই দিশত প্ৰদান কৰি অহা নিৰ্দেশনাই বিভাগটোক এক বিশেষ গতি প্ৰদান কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে মীন বিভাগ আৰু মীন মহাবিদ্যালয়ে আয়োজন কৰা তথা মীন পালক, উদ্যোগী, গৱেষক ইত্যাদিৰ উপস্থিতিত আয়োজিত এই আলোচনা চক্ৰই এই দিশত এক বিশেষ মাত্ৰা প্ৰদান কৰিব বুলিও কয়। মন্ত্ৰীগৰাকীয়ে লগতে বৰ্তমানৰ চৰকাৰখনে মীন পালনৰ দিশত প্ৰদান কৰা গুৰুত্বৰ বাবে মাছৰ পোনা উৎপাদনৰ দিশত অসমে স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি প্ৰথম দুটা লকডাউনৰ সময়ছোৱাত ৰাজ্যৰ ফিছফেডে ১৮০ কোটি টকাৰ মাছ বিক্ৰী কৰিবলৈ সক্ষম হৈছে বুলিও কয়।

বৰ্তমান অসমে ৩.৩৫ লাখ মেট্ৰিকটন মাছ বছৰি উৎপাদন কৰিছে বুলি উল্লেখ কৰি অসমৰ মাছ মিজোৰাম, মেঘালয়, নাগালেণ্ড ইত্যাদিৰ দৰে চুবুৰীয়া ৰাজ্যৰ বজাৰতো বিক্ৰী কৰা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে হেটচাৰী আৰু ফিডমিলৰ দিশত বহুসংখ্যক প্ৰকল্প হাতত লোৱা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীৰ নিৰ্দিষ্ট ভৱিষ্যদৰ্শনৰ বাবে বিভাগটোত নতুন উদ্যম তথা নতুন বাতাৱৰণৰ সূচনা হৈছে বুলিও তেওঁ কয়।

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অশোক ভট্টাচাৰ্যীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই কৰ্মশালাত মীন মহাবিদ্যালয়ৰ ডীন ড° কে কে কলিতাকে ধৰি আন দুগৰাকী অধ্যাপকেও অসমত মৎস্য উৎপাদনৰ সম্ভাৱনীয়তা তথা মৎস্য সম্পদ যোজনাই প্ৰদান কৰা সম্ভাৱনীয়তাৰ বিভিন্ন দিশ সামৰি বক্তব্য আগবঢ়ায়। কৰ্মশালাত চাৰিকণীয়া বিল মৎস্য সমবায় সমিতিৰ ধ্ৰুৱ চন্দ্ৰ দেউৰী আৰু কপিলী ভেলী বহুমুখী সমবায় সমিতিৰ মীন উদ্যোগী ৰাজীৱ হাজৰিকাই মৎস্য পালনৰ বিভিন্ন অভিজ্ঞতাৰ আলোকপাতেৰে বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আৰম্ভণিতে মীন বিভাগৰ আয়ুক্ত সচিব ৰাকেশ কুমাৰে মীন বিভাগে বিগত চাৰিটা বৰ্ষত লাভ কৰা সফলতা, আগন্তুক দিনৰ পৰিকল্পনা তথা প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ বিভিন্ন দিশ সামৰি এক প্ৰেজেন্টেশ্যন আগবঢ়োৱাৰ উপৰি মীন মহাবিদ্যালয়ৰ তৰফৰ পৰাও এক বিস্তৃত প্ৰেজেন্টেশ্যন আগবঢ়োৱা হয়। আজিৰ এই কৰ্মশালাত বিধায়কসকল ক্ৰমে ডিম্বেশ্বৰ দাস, ৰূপক শৰ্মা, বিমল বৰা, এ আৰ আই এ এছৰ পৰিচালন সঞ্চালিকা লয়া মাদ্দুৰী, প্ৰিন্সিপাল চিচিএফ (ৱাইল্ড লাইফ) এম কে যাদৱ, মীন বিভাগৰ সঞ্চালক নিৰ্মলকান্তি দেৱ নাথ, মৰিগাঁও আৰু নগাঁও জিলাৰ উপায়ুক্ত তথা আৰক্ষী অধীক্ষককে ধৰি ৰহা মীন মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, গৱেষক, ছাত্ৰ-ছাত্ৰ আৰু মীন উদ্যোগীসকলে অংশ গ্ৰহণ কৰে।

**বঃ ভাঃ**

**১২/০৮/২০২০**